# Prime Minister to deliver Keynote address at the 5th edition of VivaTech on June 16, 2021

June 15, 2021

## পঞ্চম ভিভা টেক সন্মিলনত প্ৰধানমন্ত্ৰীয়ে ১৬ জুনত মূল ভাষণ দিব

**জুন 15, 2021**

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ১৬ জুনত বিয়লি ৪ বজাত পঞ্চম ভিভা টেক সন্মিলনত মূল ভাষণ দিব। ২০২১ৰ ভিভা টেক সন্মিলনত সন্মানিত অতিথি হিচাপে প্ৰধানমন্ত্ৰীক আমন্ত্ৰণ জনোৱা হৈছে।

এই অনুষ্ঠানত ফৰাচী ৰাষ্ট্ৰপতি মিঃ ইমানুৱেল মেক্ৰোঁ, স্পেইনৰ প্ৰধানমন্ত্ৰী মিঃ পেড্ৰো ছানচেজ আৰু বিভিন্ন ইউৰোপীয় ৰাষ্ট্ৰৰ মন্ত্ৰী তথা সাংসদসকলে বক্তব্য ৰাখিব। তদুপৰি, আপেলৰ মুখ্য কাৰ্যনিৰ্বাহী বিষয়া মিঃ টিম কক, ফেচবুকৰ মুখ্য কাৰ্যনিৰ্বাহী বিষয়া তথা চেয়াৰমেন মিঃ মাৰ্ক জুকেৰবাৰ্গ আৰু মাইক্ৰোছফ্টৰ সভাপতি মিঃ ব্ৰাড স্মিথসহ কৰ্পোৰেট জগতৰ বিশিষ্ট ব্যক্তিসকল এই সন্মিলনত উপস্থিত থাকিব।

পেৰিছত ২০১৬ চনৰ পৰা প্ৰতি বছৰে ভিভা টেক সন্মিলন অনুষ্ঠিত হৈ আহিছে। ই ইউৰোপৰ সবাতোকৈ ডাঙৰ ডিজিটেল তথা স্টাৰ্ট আপ সংস্থাসমূহৰ অনুষ্ঠান। বিখ্যাত বিজ্ঞাপন আৰু বিপণন সংস্থা 'পাবলিছিছ গ্ৰুপে' আৰু অগ্ৰণী ফৰাচী সংবাদ মাধ্যম 'ল্যা ইকোছ'য়ে যৌথভাৱে এই অনুষ্ঠানৰ আয়োজন কৰে। ইয়াত বিভিন্ন সন্মিলন, পুৰস্কাৰ বিতৰণ, পেনেল আলোচনা আৰু স্টাৰ্ট আপ বা নতুন উদ্যোগৰ সংস্থাসমূহৰ মাজত প্ৰতিযোগিতাৰ ব্যৱস্থা কৰা হয়। প্ৰযুক্তি উদ্ভাৱন আৰু নতুন উদ্যোগৰ সংস্থাসমূহৰ সৈতে যুক্ত ব্যক্তিসকলে ইয়াত অংশগ্ৰহণ কৰে। পঞ্চম ভিভা টেক সন্মিলন ১৬-১৯ জুনত অনুষ্ঠিত হ'ব।

**নতুন দিল্লী**
**জুন 15, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.